# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

প্ৰকৃতি সুৰক্ষা আৰু পৰিৱেশ সচেতনতা সৃষ্টিৰ লক্ষ্যৰে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। এইবছৰৰ পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে- **প্লাষ্টিক প্ৰদূষণ ৰোধ কৰা।** প্লাষ্টিক প্ৰদূষণ ৰোধৰ লক্ষ্যৰে ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাটৰ লগতে ধেমাজি, লখিমপুৰ, বিশ্বনাথ জিলাত বিশ্ব পৰিৱেশ দিৱসৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অংশ হিচাপে জিলাসমূহৰ শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয়ত গছপুলি ৰোপণ কৰা হয়। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও পৰিৱেশ সচেতনতা সৃষ্টিৰ লক্ষ্যৰে বাটৰ নাট পৰিৱেশন কৰাৰ লগতে গছপুলি ৰোপণ আৰু গছপুলি বিতৰণ কৰে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা পৰিৱেশ আৰু বন বিভাগৰ সহযোগত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ত **নদীৰ অসুখ** শীৰ্ষক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। জিলাখনৰ প্ৰতিটো বিধানসভা সমষ্টিতে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। ডিব্ৰুগড় জিলা মানকটা প্ৰগতি মধ্য ইংৰাজী বিদ্যালয়ত এই দিৱস উপলক্ষে  সজাগতা সভা আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰোপণ কৰা হয়।

মাজুলী জিলা বন বিভাগৰ উদ্যোগত চামগুৰি সত্ৰ ৰাওনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিধায়ক ভূবন গামে এই কাৰ্যসূচী উদ্বোধন কৰে। ধেমাজি জিলাতো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ধেমাজি জিলা আৰক্ষী বিভাগে থানা, আৰক্ষী চকীৰ লগতে তুলসীবাৰীত থকা আৰক্ষী ছাউনী আৰু আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ, পৰিৱেশ আৰু বন বিভাগ আৰু ধেমাজি জিলা প্ৰশাসনৰ উদ্যোগত এখন সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। ধেমাজি আঞ্চলিক ছাত্ৰ সন্থায়েও গোৱালচাপৰি শাখা ছাত্ৰ সন্থাৰ উদ্যোগত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। চিচিবৰগাঁও মহাবিদ্যালয়তো গছপুলি ৰোপণ কৰা হয়। গোলাঘাট জিলাৰ বিভিন্ন স্থানতো দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভিন্ন শিক্ষানুষ্ঠানত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। ঠায়ে ঠায়ে সজাগতামূলক সমদল, বক্তৃতানুষ্ঠান আৰু গছপুলি ৰোপণ কাৰ্যসূচী আয়োজিত হয়।

০০০০০

স্নাতকোত্তৰ শিক্ষক পদৰ বাবে আজি ৰাজ্যৰ ছটা মণ্ডলত প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশনা অনুসৰি কামৰূপ মহানগৰ জিলাৰ লগতে ডিব্ৰুগড়, যোৰহাট,

নগাঁও, কাছাৰ আৰু বঙাইগাঁও জিলাত এই নথি পৰীক্ষণ প্ৰক্ৰিয়াত প্ৰাৰ্থীসকলে অংশগ্ৰহণ কৰিছে। আজি গুৱাহাটী পাণবজাৰৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত ৩২৩ গৰাকী প্ৰাৰ্থীৰ নথি পৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন হয়। উল্লেখযোগ্য যে, পূৰ্বে প্ৰকাশিত বিজ্ঞাপন অনুসৰি এহেজাৰ ৪৮৭টা শিক্ষক পদৰ বাবে নিযুক্তি সম্পন্ন হ'ব।

০০০০০

যোৰহাট জিলা কৃষি বিভাগৰ বিষয়াসকলে আজি এলেংমৰা অঞ্চলৰ গাঁওসমূহৰ গাঁওপ্ৰধানৰ সৈতে বানত ক্ষতিগ্ৰস্ত কৃষিভূমি পৰিদৰ্শন কৰে। কৃষি উন্নয়নৰ চক্ৰৰ কৃষি উন্নয়ন বিভাগ আৰু কৃষি সম্প্ৰসাৰণ সহায়কসকলে ক্ষতিগ্ৰস্ত কৃষকসকলক প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়ায়। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শস্য বীমা কৰা কৃষকসকলক ক্ষতিপূৰণ লাভৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ সম্পৰ্কে বিষয়াসকলে অৱগত কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীত লাভলীনা বক্সিং একাডেমী উদ্বোধন কৰে। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰা লাভলীনা বৰগোহাঁইৰ উদ্যোগত গঢ়ি উঠা বক্সিং একাডেমীখন মুকলি কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ২ কোটি টকাৰ অনুদান দিয়াৰ কথা ঘোষণা কৰে। একাডেমীখনত খেলুৱৈৰ হোষ্টেলৰ সুবিধা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে এই অনুদান আগবঢ়োৱা হ'ব। একাডেমীখনৰ মান উন্নত কৰাৰ বাবে প্ৰয়োজনীয় সাপেক্ষে ভূমি আৱণ্টনৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে ক্ৰীড়া বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে মণিপুৰৰ দৰে অসমতো ক্ৰীড়াৰ পৰিৱেশ উন্নত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ৰাজ্যৰ চুকে-কোণে লুকাই থকা প্ৰতিভাৱান খেলুৱৈসকলক চিনাক্ত কৰি তেওঁলোকৰ বাবে ৰাজ্যত শীঘ্ৰেই দুহেজাৰ খেলুৱৈৰ এটা হোষ্টেল নিৰ্মাণ কৰাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ধেমাজি আৰক্ষীৰ সহযোগত বন বিভাগে সামাজিক মাধ্যমত পক্ষী নিধনৰ ভয়াবহ দৃশ্য আপলোড কৰাৰ অভিযোগত চিমেনচাপৰি অঞ্চলৰ তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। ধৃত যুৱক কেইজন চিমেনচাপৰি থানাৰ আন্তৰ্গত হস্তিনাপুৰৰ মুনীন্দ্ৰ মুছাহাৰী, লামকা গাঁৱৰ মহেশ্বৰ স্বৰ্গীয়াৰী আৰু শিৱৰাম স্বৰ্গীয়াৰী বুলি বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। আটাইকেইজনকে চিমেনচাপৰি থানাত আৰক্ষীৰ জিম্মাত ৰখা হৈছে। জিলা বন বিষয়াই প্ৰকাশ কৰা মতে এই যুৱক কেইজনে শৰালি, হাঁহ, পানী কাউৰী, কঁণামুচৰিকে ধৰি বিভিন্ন বনৰীয়া চৰাইসমূহ নিধন আৰু চৰাইৰ কণী সংগ্ৰহৰ ভিডিঅ' সামাজিক মাধ্যমত আপলোড কৰিছিল। এই ভিডিঅ'সমূহ বন বিভাগৰ দৃষ্টি গোচৰ হোৱাৰ লগে লগে যুৱক কেইজনক ততালিকে গ্ৰেপ্তাৰ কৰা হয়। লোক কেইজনৰ বিৰুদ্ধে বন আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে বুলি জানিব পৰা গৈছে।

০০০০০

অসম সাহিত্য সভাৰ উদ্যোগত আৰু নগাঁও জিলা সাহিত্য সভা, মৰিগাঁও আৰু হোজাই জিলা সাহিত্য সভাৰ সহযোগত নগাঁৱত কাইলৈৰ পৰা তিনিদিনীয়াকৈ লেখক শিবিৰৰ আয়োজন কৰা হৈছে। কবিতা, গল্প, উপন্যাস আৰু নাট্য সাহিত্যৰ মনোগ্ৰাহী অনুষ্ঠানত সমাহাৰ হ'বলগীয়া এই শিবিৰ নগাঁও জিলা পুথিভঁৰাল, কমলাদেৱী তোদী স্মৃতিভৱন আৰু নগাঁও সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাই এখন প্ৰেছ

বিজ্ঞপ্তি যোগে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি কাইলৈ অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধনী অনুষ্ঠান সঞ্চালনা কৰিব। অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, নাগালেণ্ডৰ কবি, সাংবাদিক মনালিছা ছাংকিজা আৰু সভাৰ প্ৰাক্তন সভাপতি ড০ সূৰ্যকান্ত হাজৰিকা উপস্থিত থাকিব। দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া কবিতা অধিৱেশন দুখন ৰাজীৱ বৰা আৰু ড° মঞ্জু লস্কৰে উদ্বোধন কৰিব। বিয়লিৰ ভাগত ছুটী গল্প বিষয়ৰ প্ৰথমখন বৈঠক শিৱানন্দ কাকতিয়ে উদ্বোধন কৰিব। ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই দ্বিতীয়খন বৈঠক সঞ্চালনা কৰিব। একেদিনাই নগাঁও জিলা পুথিভঁৰালত উপন্যাস বিষয়ৰ বৈঠকো অনুষ্ঠিত হ'ব। আটাইকেইটা অনুষ্ঠানতে ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সাহিত্যিক আৰু উদীয়মান লেখকে অংশগ্ৰহণ কৰিব।

০০০০০

সমাপ্ত